**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-07-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

দৰং জিলাৰ পূব মঙলদৈ, ওদালগুৰিৰ ভেৰগাঁও আৰু ডিমা হাছাও জিলাৰ বিভিন্ন খণ্ডত আজি **সম্পূৰ্ণতা অভিযান** আৰম্ভ কৰা হৈছে। দেশৰ বৃহৎ সংখ্যক নাগৰিকৰ অংশগ্ৰহণেৰে নিটি আয়োগে **সম্পূৰ্ণতা অভিযান** শীৰ্ষক বিশেষ অভিযানৰ কালি শুভাৰম্ভ কৰে। অসমতো বাক্সা, ধুবুৰী, দৰং, বৰপেটা, গোৱালপাৰা,ওদালগুৰি, ডিমা হাচাও, পশ্চিম কাৰ্বি আংলং আৰু হাইলাকান্দিৰ কেইবাটাও উন্নয়ন খণ্ডক এই অভিযানে সামৰি লৈছে। মুঠ ১১২ খন অভিলাষী জিলা আৰু ৫০০টা অভিলাষী খণ্ডত এই অভিযানৰ উন্মোচনী অনুষ্ঠানৰ আয়োজন কৰা হয়। অহা ৩০ ছেপ্তেম্বৰলৈকে ৩ মাহজুৰি চলিবলগীয়া এই অভিযানৰ লক্ষ্য হৈছে সকলো অভিলাষী জিলা আৰু খণ্ডত ১২টা মূল সামাজিক খণ্ডৰ সূচকৰ ক্ষেত্ৰত ১০০ শতাংশ পৰিপূৰ্ণতা লাভ কৰা। **ওদালগুৰি** জিলাৰ ভেৰগাঁও উন্নয়ন খণ্ডত আজি অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে এই অভিযানৰ কাৰ্যসূচী আৰম্ভ কৰে। **তামুলপুৰ** জিলা প্ৰশাসন আৰু তামুলপুৰ উন্নয়ন খণ্ডৰ উদ্যোগত তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰেক্ষাগৃহত আজি এই সন্দৰ্ভত এখন সজাগতামূলক সভা অনুষ্ঠিত হয়। সভাত বি টি আৰৰ পাৰিষদ হেমন্ত ৰাভাৰ লগতে জিলা প্ৰশাসনৰ কেইবাগৰাকীও উচ্চপদস্থ বিষয়া উপস্থিত থাকে। **মঙলদৈ** জিলাৰ আয়ুক্তৰ উদ্যোগত আজি জিলাখনত কেন্দ্ৰীয়ভাৱে সম্পূৰ্ণতা অভিযান উদ্বোধন কৰা হয়। উদ্বোধনী কাৰ্যসূচীত স্থানীয় সাংসদ দিলীপ শইকীয়া, বিধায়কদ্বয় ক্ৰমে বসন্ত দাস আৰু পৰমানন্দ ৰাজবংশীকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। আনহাতে, দক্ষিণ শালমাৰা-মানকাচৰ জিলাৰ ফেকামাৰীত, কাছাৰ জিলাৰ লক্ষীপুৰত আৰু ধেমাজি জিলাৰ মুৰ্কংচেলেকত কাইলৈ এই অভিযান আৰম্ভ হ'ব।

এই অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ড সমূহত মূলত প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা, সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ হাৰ, চৰকাৰে ২০১৫ তে কৃষকৰ বাবে আৰম্ভ কৰা ছয়েল হেল্থ কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মনিৰ্ভৰশীল গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ, বিদ্যুত যোগান থকা মাধ্যমিক পৰ্যায় বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে। তিনি মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পৌষ্টিক আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিব।

এই অভিযানত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহেও সম্পূৰ্ণ সহৃদয়তাৰে অংশগ্ৰহণ কৰিছে। অৰুণাচল প্ৰদেশৰ নামচাই জিলাৰ চৌখাম খণ্ডত ৰাজ্যখনৰ উপ মুখ্যমন্ত্ৰী চৌনা মেইনে কালি এই অভিযানৰ শুভাৰম্ভ কৰে। একেদৰে নাগালেণ্ডৰ কিফিৰেত অনুষ্ঠিত উন্মোচনী অনুষ্ঠানত বিধানসভাৰ সদস্য চি কিপ্লি সংগতমে কাৰ্যসূচীৰ আৰম্ভণি কৰে। ইপিনে, মণিপুৰৰ চূড়াচান্দপুৰ জিলাৰ লমকা ছাউথ ব্লকত কালি আৰম্ভ হোৱা প্ৰথমটো কাৰ্যসূচীত মধুমেহ আৰু উচ্চ ৰক্তচাপৰ বিনামূলীয়া স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হয়।

০০০০০০০

ৰাজ্যৰ কোনো কোনো ঠাইত আজি বান পৰিস্থিতি সামান্য উন্নত হৈছে যদিও এতিয়াও ভালেমান ঠাই বানৰ কবলত আছে। ৰাজ্যখনৰ সাম্প্ৰতিক বানত ২৯ খন জিলাৰ ২১ লাখৰো অধিক লোক ক্ষতিগ্ৰস্ত হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ডিব্ৰুগড় জিলাৰ কেইবাটাও স্থানত বান পৰিস্থিতিৰ বুজ লয়। মুখ্যমন্ত্ৰীগৰাকীয়ে জিলাখনৰ খোৱাঙত বুঢ়ী দিহিং নৈৰ মথাউৰি ভাঙি জলমগ্ন হোৱা কেইবাখনো গাঁও আজি পৰিদৰ্শন কৰাৰ লগতে অঞ্চলটোৰ জনসাধাৰণে আশ্ৰয় লৈ থকা এটা শিবিৰ পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰী সৈতে আজিৰ ভ্ৰমণকালত পঞ্চায়ত আৰু গ্ৰমোন্নয়ন, খাদ্য ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ৰণজিৎ কুমাৰ দাস, জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাৰ লগতে বিধায়ক চক্ৰধৰ গগৈ উপস্থিত থাকে। মুখ্যমন্ত্ৰী ড° শৰ্মাই আজি কৃত্ৰিম বানৰ কবলত পৰা ডিব্ৰুগড় নগৰৰ ভালেমান ঠাই পৰিদৰ্শন কৰে। তেওঁ জিলা প্ৰশাসনক কৃত্ৰিম বান ৰোধ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ উপৰি বান ক্ষতিগ্ৰস্ত ৰাইজক সাহায্য প্ৰদান কৰাটো সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিছে। ৰাজ্যৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰাই আজি শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত জিলাখনৰ বান পৰিস্থিতিৰ সন্দৰ্ভত এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে। সভাত মন্ত্ৰী বৰাই বানত ৬০ শতাংশতকৈও অধিক ক্ষতি হোৱা বাসগৃহসমূহৰ মেৰামতিৰ বাবে ৰাজ্য চৰকাৰে ১ লাখ ২০ হাজাৰ টকাকৈ প্ৰদান কৰিব বুলি অৱগত কৰে। তেওঁ জিলাখনৰ বান ক্ষতিগ্ৰস্ত খেতিয়কসকলক অচিৰেই প্ৰধানমন্ত্ৰী ফচল বীমা আঁচনিত নিজৰ নাম পঞ্জীয়ন কৰাৰ বাবে আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে জিলাখনত ক্ষয়-ক্ষতিৰ বুজ লোৱাৰ বাবে গঠন কৰা ৭২ জনীয়া এটা বিশেষ দলে কাইলৈৰপৰা জিলাখনত জনসাধাৰণৰ ক্ষয়-ক্ষতিৰ বুজ ল'ব বুলি অৱগত কৰে। উল্লেখযোগ্য যে জিলাখনৰ দিচাংমুখ, দিখৌমুখৰ লগত ডিমৌ বিধানসভাৰ অধীনৰ ভালেমান অঞ্চল বানৰ কবলত পৰিছে। সাম্প্ৰতিক বানত জিলাৰ ১১৭ খন গাঁৱৰ ৮৮ হাজাৰ ৬০০ গৰাকী লোক প্ৰভাৱিত হৈছে। বিত্তমন্ত্ৰী অজন্তা নেওগে আজি গোলাঘাট জিলাৰ বান পৰিস্থিতিৰ সন্দৰ্ভত বুজ লোৱাৰ বাবে জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন বৈঠকত মিলিত হয়। মন্ত্ৰীগৰাকীয়ে বান ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক সময়মতে বান-সাহায্য প্ৰদান কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ লগতে জিলাখনৰ আশ্ৰয়শিবিৰত থকা লোকসকলে যাতে সকলোধৰণৰ সা-সুবিধা লাভ কৰাটো সুনিশ্চিত কৰিবলৈ জিলা প্ৰশাসনক নিৰ্দেশ দিয়ে। ইয়াৰ উপৰি বান ক্ষতিগ্ৰস্ত লোকসকলৰ পুনৰ সংস্থাপনৰ বাবে ১৫ আগষ্টৰ ভিতৰত জৰীপৰ প্ৰতিবেদন দাখিল কৰিবলৈ সংশ্লিষ্ট বিভাগসমূহক নিৰ্দেশ দিয়ে। আজিৰ বৈঠকত দেৰগাঁৱৰ বিধায়ক ভবেন্দ্ৰ নাথ ভৰালী, সৰুপথাৰৰ বিধায়ক বিশ্বজিৎ ফুকনৰ লগতে জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত আছিল। গোৱালপাৰা জিলাত ব্ৰহ্মপুত্ৰৰ জলস্তৰ সামান্য হ্ৰাস পাইছে যদিও জিলাখনৰ বান পৰিস্থিতি অপৰিৱৰ্তিত হৈ আছে। জিলাখনৰ চাৰিটা ৰাজহচক্ৰৰ ২৯৭ খন গাঁও বৰ্তমান প্লাবিত হৈ আছে। ধুবুৰীৰ সাংসদ ৰকিবুল হুছেইনে আজি জিলাৰ জলেশ্বৰ সমষ্টিৰ বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহ পৰিদৰ্শন কৰে। তেওঁ লগতে বুঢ়া-বুঢ়ী অঞ্চলত ব্ৰহ্মপুত্ৰ নদীৰ খহনীয়াৰো পৰিদৰ্শন কৰে। ইফালে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰো ৯৫টা বন শিবিৰ এলেকা প্লাবিত হৈছে। ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই জানিবলৈ দিয়া মতে ৰাষ্ট্ৰীয় উদ্যানখনত এতিয়ালৈতে ৩১টা বণ্যপ্ৰাণীৰ মৃত্যু হৈছে। ইয়াৰ উপৰি উদ্যানখনৰ ভালেমান জীৱ-জন্তুৱে উদ্যানখনৰ মাজে মাজে থকা ওখ ঠাইত আশ্ৰয় লোৱাৰ বিপৰীতে ভালেমান জীৱ জন্তু কাৰ্বি পাহাৰত আশ্ৰয় লৈছে। বিগত ২৪ ঘণ্টাত ৬ গৰাকীতকৈও অধিক লোকৰ মৃত্যু হোৱাত ৰাজ্যখনৰ বানত এতিয়ালৈ মৃত্যুৰ সংখ্যা ৫২ লৈ বৃদ্ধি পাইছে। ৰাজ্যৰ ১০৭টা ৰাজহচক্ৰৰ অধীনৰ তিনি হাজাৰ ২০০ খন গাঁৱৰ ৫৭ হাজাৰ হেক্টৰ কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। ব্ৰহ্মপুত্ৰ, বৰাকৰ লগতে সকলো উপনৈৰ জলস্তৰ বিপদসীমাৰ ওপৰেৰে বৈ আছে। এই বানত বিগত ২৪ ঘণ্টাত ১৪৫টা পথ, ১৩টা মথাউৰি আৰু দুখন দলং ক্ষতিগ্ৰস্ত হৈছে। ইফালে, ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম আৰু চুবুৰীয়া অৰুণাচল প্ৰদেশত প্ৰবল বৃষ্টিপাতৰ সতৰ্কবাণী জাৰি কৰিছে। অসমত ৰাজ্য চৰকাৰে বিভিন্ন স্থানত ইতিমধ্যে ৪৫১টা সাহায্য বিতৰণ কেন্দ্ৰৰ লগতে ২৪৭টা সাহায্য কেন্দ্ৰ মুকলি কৰিছে। বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী আৰু ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীয়ে ৰাজ্যখনত উদ্ধাৰ আৰু সাহায্য অভিযান অব্যাহত ৰাখিছে। ০০০০০০০

**সমাপ্ত**